**REGIONAL NEWS UNIT**
AKASHVANI :: GUWAHATI
0000000000

**Date : 22-05-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
***:::::::::::::::::::::::::::::::***

বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠান, যোৰহাটৰ উদ্যোগত আজি কাকজান বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ত বিভিন্ন কাৰ্যসূচীৰে আন্তৰ্জাতিক জৈৱ বৈচিত্ৰ দিৱস উদযাপন কৰা হয়। গছপুলি ৰোপনেৰে আৰম্ভ হোৱা অনুষ্ঠানটো প্ৰধান শিক্ষক ভূপেন ৰাজকোঁৱৰে শুভাৰম্ভ কৰে। অনুষ্ঠানত বৰ্ষাৰণ্য প্ৰতিষ্ঠানৰ বিজ্ঞানী, বিষয়াসকল আৰু বিভিন্ন বিদ্যালয়ৰ শিক্ষাৰ্থী তথা শিক্ষক-শিক্ষাৰ্থী উপস্থিত থাকে। এই দিৱস উপলক্ষে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিত্ৰাংকণ আৰু কুইজ প্ৰতিযোগিতা অনুষ্ঠানত কৰা হয়। বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানৰ বিজ্ঞানী ৰাজীৱ কুমাৰ কলিতাই তেওঁৰ ভাষণত জৈৱ বৈচিত্ৰ আৰু ইয়াৰ সংৰক্ষণৰ বিষয়সমূহৰ সৈতে জড়িত বিভিন্ন দিশৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত বিনিময় কৰি আমাৰ পৃথিৱীখন সুন্দৰ আৰু সুৰক্ষিত কৰি ৰাখিবলৈ আহ্বান জনায়। অনুষ্ঠানত বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানৰ সঞ্চালক ড০ নীতিন কুলকাৰ্ণীৰ লগতে অন্যান্য ভালেসংখ্যক লোক উপস্থিত থাকে।

০০০০০০

আজি আন্তঃৰাষ্ট্ৰীয় জৈৱ বৈচিত্ৰ দিৱস। জৈৱ বৈচিত্ৰৰ সংৰক্ষণ আৰু এই ক্ষেত্ৰত জনসাধাৰণক সজাগ আৰু শিক্ষিত কৰাৰ লক্ষ্যৰে প্ৰতিবছৰে আজিৰ দিনটো জৈৱ বৈচিত্ৰ দিৱস হিচাপে পালন কৰি অহা হৈছে। এই বছৰৰ এই দিৱসৰ বিষয়বস্তু হৈছে- **প্ৰকৃতিৰ সৈতে সমন্বয় আৰু বহনক্ষম উন্নয়ন**।

কোকৰাঝাৰ জিলাৰ ৰাম ফলবিল উচ্চতৰ মাধ্যমিক বিদ্যালয়ত  আজি এই দিৱস উদযাপন কৰা হয়। বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলে পৰিৱেশ সজাগতা সৃষ্টি আৰু জৈৱ বৈচিত্ৰৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ কথা লক্ষ্য কৰি বিদ্যালয় চৌহদত গছপুলি ৰোপণ কৰে।

০০০০০

মণিপুৰত নাগৰিক সমাজৰ উমৈহতীয়া সংগঠনে আহ্বান জনোৱা ধৰ্মঘটৰ ফলত উপত্যকাৰ জিলাসমূহৰ স্বাভাৱিক জীৱনযাত্ৰা ব্যাহত হৈছে। উখৰুলত চলি থকা শ্বিৰুই লিলি উৎসৱত ভাগ ল'বলৈ যোৱা ৰাজ্যিক জনসংযোগ বিভাগৰ এখন বাছৰ যাত্ৰীসকলৰ প্ৰতি সেনা বাহিনীৰ লোকে অৱজ্ঞাসূচক আচৰণ কৰাৰ প্ৰতিবাদত এই ৪৮ ঘণ্টীয়া ধৰ্মঘটৰ আহ্বান জনোৱা হৈছে। আমাৰ ইম্ফলৰ সংবাদদাতাই জনোৱা মতে ২০ গৰাকী সংবাদকৰ্মী আৰু মণিপুৰ চৰকাৰৰ জনসংযোগ বিষয়াৰ এটা দল মণিপুৰ ৰাজ্যিক পৰিবহণ নিগমৰ এখন বাছেৰে উখৰুললৈ গৈ থকা অৱস্থাত ইম্ফল পূব জিলাৰ গোৱালতাবিত থকা তালাচী চকীত সেনা বাহিনীৰ চতুৰ্থ মাহাৰ ৰেজিমেণ্টৰ এটা দলে আগচি ধৰে। সেনা বাহিনীয়ে বাছখনত লিখা মণিপুৰ ৰাজ্যিক পৰিবহণ শব্দকেইটা মোহাৰি নেপেলোৱা পৰ্যন্ত বাছখন যোৱাত বাধা দিয়ে। এই কাৰ্যৰ সাংবাদিকসকলে প্ৰতিবাদ জনায় আৰু ইম্ফললৈ উভতি আহে। ইয়াৰ প্ৰতিবাদত মণিপুৰৰ উপত্যকা জিলাকেইখনৰ নাগৰিক সমাজৰ উমৈহতীয়া মঞ্চই এই ৪৮ ঘণ্টীয়া ধৰ্মঘটৰ আহ্বান জনায়। মণিপুৰৰ ৰাজ্যপাল অজয় কুমাৰ ভাল্লাই এই ঘটনাৰ এটা তদন্ত চলাবলৈ আৰু ১৫ দিনৰ ভিতৰত এই তদন্তৰ প্ৰতিবেদন দিবলৈ নিৰ্দেশ দিছে।

০০০০০

অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ব বিভাগৰ লগত শ্ৰীশ্ৰী অনুৰুদ্ধ দেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ে এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। এই চুক্তিৰ জৰিয়তে গৱেষণা আৰু অন্যান্য কামকাজৰ লগত জড়িত হৈ বিশ্ববিদ্যালয়খনক উচ্চ পৰ্যায়লৈ লৈ যোৱাৰ পৰিকল্পনা কৰা হৈছে। অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ব বিভাগৰ সঞ্চালক ড০ সংগীতা গগৈ আৰু শ্ৰীশ্ৰী অনুৰুদ্ধ দেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক পংকজ বৰঠাকুৰৰ লগতে বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য ড০ জে পি বাৰ্মাৰ উপস্থিতিত এই বুজাবুজিৰ চুক্তিখন সম্পন্ন হয়।

০০০০০

নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি অনুসৰি বুনিয়াদী স্তৰত তিৱা আৰু দেউৰী মাতৃ ভাষাত শিক্ষাদানৰ বাবে যাৱতীয় প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। আজি জনতা ভৱনত দুয়োটা ভাষাৰ প্ৰতিনিধিৰূপে তিৱা আৰু দেউৰী সাহিত্য সভা তথা স্বায়ত্ব শাসিত পৰিষদৰ নেতৃত্বৰ সৈতে এই সন্দৰ্ভত শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আলোচনা কৰে। শীঘ্ৰেই দুয়োটা ভাষাত শিক্ষা দানৰ বাবে ৰাজ্যিক শিক্ষা গৱেষণা প্ৰশিক্ষণ পৰিষদৰ অধীনত শিক্ষক-শিক্ষয়িত্ৰীসকলক প্ৰশিক্ষণ প্ৰদান কৰা হ'ব বুলি শিক্ষা মন্ত্ৰীয়ে প্ৰকাশ কৰিছে।

০০০০০

শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ মৰাসুতিত আজি নদুৱাৰ সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাই গোৰ্খা ভৱনৰ আধাৰশিলা স্থাপন কৰে। বৃহত্তৰ উত্তৰ জামুগুৰিহাট অঞ্চলৰ গোৰ্খা ছাত্ৰ সন্থাৰ দীৰ্ঘ দিনীয়া দাবী পূৰণৰ অৰ্থে এই ভৱন নিৰ্মাণৰ পৰিকল্পনা লোৱা হৈছে। গোৰ্খা উন্নয়ন পৰিষদৰ ১০ লাখ টকা পুজিৰে ভৱনৰ নিৰ্মাণ সম্পন্ন কৰা হ'ব। আধাৰশিলা স্থাপন অনুষ্ঠানত গোৰ্খা উন্নয়ন পৰিষদৰ অধ্যক্ষ প্ৰেম তামাঙে বিশেষ অতিথি হিচাপে অংশগ্ৰহণ কৰে। অনুষ্ঠানত গোৰ্খা সমাজৰ বিভিন্ন দল-সংগঠনৰ বহু লোক উপস্থিত থাকে।

০০০০০

সোণোৱাল কছাৰী সাহিত্য সভাৰ নৱ নিৰ্বাচিত পূৰ্ণাংগ সমিতিখনে অহা ২৪ মে'ত শপত গ্ৰহণ কৰিব। ডিব্ৰুগড়ত হ'বলগীয়া এই অনুষ্ঠানত সভাৰ নৱ নিৰ্বাচিত সভাপতি মোহন সোণোৱাল আৰু সম্পাদক মৃদুল সোণোৱালকে ধৰি অন্যান্য বিষয়ববীয়া আৰু সদস্যসকলে শপত গ্ৰহণ কৰিব।

০০০০০

দৰং জিলাৰ সদৰ মঙলদৈস্থিত ড'নাক নাট্য বিদ্যালয়ৰ তিনিগৰাকী প্ৰশিক্ষৰ্থী ভাৰত চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ অন্তৰ্গত সাংস্কৃতিক গৱেষণা আৰু প্ৰশিক্ষণৰ অধীনত থিয়েটাৰ শিতানত যুৱ শিল্পীৰ জলপানীৰ বাবে নিৰ্বাচিত হৈছে। প্ৰশিক্ষাৰ্থী কেইগৰাকী হৈছে জাহ্নব প্ৰাণ কাশ্যপ, দীক্ষিতা ভূঞা আৰু ঋতুপৰ্ণা কাশ্যপ।

০০০০০

সমাপ্ত